**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-12-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত সংস্কাৰ এক্সপ্ৰেছেৰে অগ্ৰসৰ হৈছে আৰু গোলকীয় আকৰ্ষণৰ কেন্দ্ৰৰূপে পৰিগণিত হোৱা বুলি প্ৰকাশ কৰিছে।

২। পশ্চিমবংগ চৰকাৰে সীমান্তত কাঁইটীয়া বেৰ নিৰ্মাণৰ বাবে ভূমি আবণ্টন দিয়াৰ পৰিৱৰ্তে অনুপ্ৰৱেশকাৰীক ভূমি প্ৰদান কৰাত অগ্ৰাধিকাৰ দিয়া বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা অমিত শ্বাহে অভিযোগ তুলিছে।

৩। বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰালয়ে উচিত চিকিৎসা ঔষধ আৱিষ্কাৰৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ বাবে পেথ'জেনি নামৰ এটা অ'পেন ছ'ৰ্চ ছফটৱেৰ বিকশাই তুলিছে।

৪। বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী খালেদা জীয়াৰ জানাজা কাইলৈ সম্পন্ন কৰা হ'ব।

*আৰু*

৫। ভাৰত আৰু শ্ৰীলংকাৰ মহিলা ক্ৰিকেট দলৰ মাজৰ টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল তিৰুৱনন্তপুৰমত কিছু সময়ৰ পূৰ্বে আৰম্ভ হৈছে।

০০০০০

ভাৰত সংস্কাৰ এক্সপ্ৰেছেৰে অগ্ৰসৰ হৈছে আৰু গোলকীয় আকৰ্ষণৰ কেন্দ্ৰৰূপে পৰিগণিত হোৱা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা প্ৰৱন্ধত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে সম্প্ৰতি সমগ্ৰ বিশ্বই আশা আৰু বিশ্বাসেৰে চাবলৈ লৈছে। তেওঁ কয়, যে বিশ্বই পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰৰ বলত ভাৰতে লাভ কৰা বিকাশৰ গতিৰ ভূয়সী প্ৰশংসা কৰিছে। দেশৰ জনগাঁথনি, যুৱ প্ৰজন্ম আৰু দেশবাসীৰ অদম্য মনোভাৱ এই সংস্কাৰ এক্সপ্ৰেছৰ মূল চালিকা শক্তি বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰীমোদীয়ে কয়, যে ২০২৫ বৰ্ষক ভাৰতৰ বাবে সংস্কাৰৰ বৰ্ষৰূপে স্মৰণ কৰা হ'ব। চলিত বৰ্ষত বিভিন্ন খণ্ডত ঐতিহাসিক পৰিৱৰ্তন হৈছে আৰু ইয়াৰ ফলত দেশৰ বিকাশ ত্বৰান্বিত হৈছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰে প্ৰতিষ্ঠানসমূহৰ আধুনিকিকীকৰণৰ লগতে শাসন ব্যৱস্থা সৰল আৰু দীৰ্ঘকালীন সৰ্বাত্মক বিকাশৰ বাবে ভেঁটি শক্তিশালী কৰিছে। শ্ৰীমোদীয়ে কয়, যে শ্ৰম আইন আৰু বাণিজ্যিক চুক্তিৰ পৰা ৰচদ-পাতি, শক্তি আৰু বজাৰ সংস্কাৰলৈকে ভাৰতৰ বিকাশ যাত্ৰা বিশ্বাসযোগ্যতা, সুস্থিৰতা আৰু নিৰ্ভৰযোগ্যতাৰ ওপৰত গঢ়ি উঠিছে। এই পদক্ষেপসমূহে ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ প্ৰচেষ্টা সুদৃঢ় কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে আস্থা প্ৰকাশ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ নীতি আয়োগত বিশিষ্ট অৰ্থনীতিবিদ আৰু খণ্ড বিশেষজ্ঞসকলৰ সৈতে মত-বিনিময় কৰে আৰু ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত তেওঁলোকৰ দিহা-

পৰামৰ্শ বিচাৰে। এই বৈঠকে দেশৰ অৰ্থনৈতিক স্থিতি আৰু ভৱিষ্যতৰ অগ্ৰাধিকাৰ সন্দৰ্ভত মতামত আগবঢ়োৱা আৰু মূল্যায়ণৰ বাবে মঞ্চ হিচাপে কাম কৰিব। বৈঠকত অৰ্থ-ব্যৱস্থাৰ সুদৃঢ়কৰণ, বিকাশ ত্বৰান্বিত কৰা আৰু নতুন প্ৰত্যাহ্বান দূৰ কৰাৰ বাবে প্ৰয়োজনীয় সংস্কাৰ সম্পৰ্কে আলোচনা কৰা হয়। নীতি আয়োগে আয়োজন কৰা এই কথোপকথনৰ জৰিয়তে পৰৱৰ্তী পৰ্য্যায়ৰ অৰ্থনৈতিক পৰিকল্পনাৰ প্ৰস্তুতিৰ বাবে চৰকাৰে বহুমূলীয়া দিহা-পৰামৰ্শ লাভ কৰিব বুলি আশা কৰা হৈছে। বৈঠকত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণ, নীতি আয়োগৰ উপাধ্যক্ষ সুমন বেৰী, মুখ্য কাৰ্য্যবাহী বিষয়া বি ভি আৰ সুব্ৰমণ্যম আৰু জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০

কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি নিষ্পত্তি তথা পেঞ্চন বিভাগৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে ২০২৫ বৰ্ষটোক জীৱন ধাৰণ তথা কাম-কাজৰ সুচলতা সুনিশ্চিত কৰাৰ লক্ষ্যৰে প্ৰশাসনীয় সংস্কাৰৰ বৰ্ষ হিচাপে অভিহিত কৰিছে। নতুন দিল্লীত আজি বৰ্ষান্তৰ সংবাদমেল এখনত মন্ত্ৰীগৰাকীয়ে কয়, যে বিভিন্ন সেৱাত নিয়োজিত ব্যক্তিসকলে কৰ্মক্ষেত্ৰত লাভ কৰা সুচলতাই জীৱন-ধাৰণৰ সুচলতাৰ বাট মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে নিয়োগ মেলা তথা কেন্দ্ৰীভূত ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তি আৰু পৰ্য্যবেক্ষণ ব্যৱস্থাকে ধৰি বিভাগসমূহৰ বিভিন্ন উল্লেখনীয় সাফল্য আৰু পদক্ষেপত আলোকপাত কৰে।

এই অনুষ্ঠানত কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগৰ সচিব ৰচনা শ্বাহে সদৰী কৰা অনুসৰি, ২০২৫ চনত আয়োজিত তিনিখন নিয়োগ মেলাত বিভিন্ন মন্ত্ৰালয় তথা বিভাগে প্ৰায় ডেৰলাখ নিবনুৱাক নিয়োগ পত্ৰ প্ৰদান কৰিছে। কেন্দ্ৰীয় লোকসেৱা আয়োগৰ প্ৰতিভা সেতু পদক্ষেপৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয়, যে এই সেতুৰ জৰিয়তে ১৩ হাজাৰ অযোগ্য বিবেচিত প্ৰাৰ্থীৰ ভিতৰত ৪৭১ গৰাকীয়ে নিয়োগ পত্ৰ লাভ কৰিছে।

০০০০০

পশ্চিমবংগ চৰকাৰে সীমান্তত কাঁইটীয়া বেৰ নিৰ্মাণৰ বাবে ভূমি আবণ্টন দিয়াৰ পৰিৱৰ্তে অনুপ্ৰৱেশকাৰীক ভূমি প্ৰদান কৰাত অগ্ৰাধিকাৰ দিয়া বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা অমিত শ্বাহে অভিযোগ তুলিছে। তেওঁ লগতে ধন কৰ্তন বলপূৰ্বক ধনদাবী আৰু সাম্প্ৰদায়িক তোষামোদৰ বাবে ৰাজ্যখনত উন্নয়ন প্ৰক্ৰিয়া স্থবিৰ হোৱা বুলি দাবী কৰে। নেতাজী সুভাষ চন্দ্ৰ বসুৰ ৮০ সংখ্যক বাৰ্ষিকী উপলক্ষে ক'লকাতাত আজাদ হিন্দ বাহিনীৰ পতাকা উত্তোলন কৰি শ্ৰীশ্বাহে মহিলাৰ নিৰাপত্তা আৰু পশ্চিমবংগৰ পৰা ঔদ্যোগিক প্ৰব্ৰজনক লৈ উদ্বেগ প্ৰকাশ কৰে। তেওঁ লগতে জনসাধাৰণক পশ্চিমবংগৰ হৃত গৌৰৱ উদ্ধাৰ কৰাৰ বাবে আৰু ৰাজ্যখনৰ মহান ব্যক্তিসকলৰ সপোন পূৰণৰ বাবে বিজেপিক সুযোগ দিবলৈ আহ্বান জনায়। শ্ৰীশ্বাহে কয়, যে বিজেপিয়ে সুযোগ লাভ কৰিলে তৃণমূল কংগ্ৰেছৰ অপশাসন আৰু দুৰ্নীতিৰ ঠাইত সুশাসন আৰু জনসাধাৰণৰ কল্যাণৰ প্ৰতি গুৰুত্ব প্ৰদান কৰা এখন চৰকাৰ ক্ষমতালৈ আহিব। মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ৰাজনৈতিক লাভালাভৰ বাবেই নাগৰিকত্ব সংশোধনী আইনৰ ৰূপায়ণত বাধা প্ৰদান কৰি অনুপ্ৰেৰশকাৰীক প্ৰশ্ৰয় দিয়া বুলি তেওঁ অভিযোগ তোলে।

০০০০০

বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰালয়ে উচিত চিকিৎসা ঔষধ আৱিষ্কাৰৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ বাবে পেথ'জেনি নামৰ এটা অ'পেন ছ'ৰ্চ ছফটৱেৰ বিকশাই তুলিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই ছফটৱেৰটোৱে সম্ভাব্য ঔষধৰ মূল্যায়ণ আৰু বাছনি প্ৰক্ৰিয়া ত্বৰান্বিত কৰিব আৰু ইয়াৰ ফলত ব্যয় হ্ৰাস পাব।

০০০০০

বাংলাদেশ চৰকাৰে প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা বাংলাদেশ নেচনেলিষ্ট পাৰ্টী - বি এন পিৰ সভানেত্ৰী খালিদা জীয়াৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত তিনিদিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰিছে। প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ নামাজ এ জানাজাৰ বাবে কাইলৈ সাৰ্বজনীন ছুটীও ঘোষণা কৰা হৈছে। দেশখনৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা প্ৰফেচাৰ মহম্মদ য়ুনুছে আজি এই কথা প্ৰকাশ কৰে। তেওঁ লগতে জনসাধাৰণক শান্তি-শৃংখলা বৰ্তাই ৰাখিবলৈ আহ্বান জনায়। ঢাকাৰ জাতীয় সংসদ চৌহদৰ ছাউথ প্লাজা আৰু ইয়াৰ গাতে লাগি থকা মাণিক মিঞা এভিনিউত কাইলৈ খালেদা জীয়াৰ জানাজা সম্পন্ন কৰা হ'ব। প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক তেওঁৰ স্বামী তথা দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি জীয়াউৰ ৰহমানৰ সমাধি সমীপত সমাধিস্থ কৰা হ'ব।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ বালাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী বেগম খালেদা জীয়াৰ জানাজাত অংশগ্ৰহণ কৰাৰ বাবে কাইলৈ ঢাকালৈ যাব। খালেদা জীয়াৰ জানাজাত তেওঁ দেশৰ জনসাধাৰণক প্ৰতিনিধিত্ব কৰিব।

০০০০০

শিক্ষা মন্ত্ৰ্যালয়ে যুৱ লেখকসকলক দিশ প্ৰদৰ্শন কৰাৰ উদ্দেশ্যে আৰম্ভ হোৱা PM-Yuva-3.0 প্ৰধানমন্ত্ৰীৰ আঁচনিৰ অধীনৰ ফলাফল ঘোষণা কৰিছে। এই আঁচনিৰ অধীনত ইংৰাজী তথা ২২ টা ভাৰতীয় ভাষাত ৪৩ খন প্ৰস্তাৱিত গ্ৰন্থ নিৰ্বাচন কৰা হৈছে। শিক্ষা মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে যে, বিশিষ্ট শিক্ষাবিদসকলৰ ছমহীয়া তত্বাৱধানত প্ৰস্তাৱিত গ্ৰন্থসমূহ প্ৰকাশৰ দিহা কৰা হ'ব। তদুপৰি, নিৰ্বাচিত লেখকসকলে প্ৰতিমাহে ৫০ হাজাৰ টকাকৈ লাভ কৰাৰ লগতে প্ৰকাশিত গ্ৰন্থসমূহৰ ১০ শতাংশকৈ জীৱনজোৰা ৰয়েল্টি লাভ কৰিব বুলিও মন্ত্ৰ্যালয়ে সদৰী কৰে। PM-Yuva-3.0ৰ অধীনত প্ৰথমৰাজি গ্ৰন্থ অহা বছৰ প্ৰকাশ কৰা হ'ব। এই পদক্ষেপৰ জৰিয়তে দেশৰ সাহিত্য আৰু ভাৱাদৰ্শক দেশে বিদেশে প্ৰতিফলিত কৰাৰ উদ্দেশ্যে নতুন প্ৰজন্মৰ লেখকসকলক উদ্বুদ্ধ কৰাৰ প্ৰয়াস চলোৱা হৈছে।

০০০০০

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ৱ্লাডিমিৰ পুটিনৰ বাসভৱনত ইউক্ৰেইনে আক্ৰমণ চলোৱাৰ উত্থাপিত অভিযোগ সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বিগ্নতা প্ৰকাশ কৰিছে। সামিজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে শত্ৰুতাৰ অৱসান ঘটাই স্থায়ী শান্তিৰ বাতাবৰণ সৃষ্টি কৰাৰ ক্ষেত্ৰত কূটনৈতিক আলোচনাৰ পথেই উৎকৃষ্ট বুলি মত প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কূটনৈতিক প্ৰয়াস অব্যাহত ৰখাৰ লগতে এই ক্ষেত্ৰত অন্তৰায় সৃষ্টি কৰিব পৰা কাৰ্য্যপন্থাৰ পৰা বিৰত থাকিবলৈ সংশ্লিষ্ট সকলো পক্ষলৈ আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে বৰ্তমানৰ আৱশ্যকতাৰ কথা বিবেচনা কৰিয়েই বিকশিত ভাৰত - গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ আৰু জীৱিকা অভিযান জী ৰাম জী বিধেয়কখন সংসদত গৃহীত কৰা হৈছে। এই বিধেয়কখনে পূৰ্বৰ এম জি এনৰেগা আঁচনিৰ দোষ-ক্ৰুটিসমূহ নাইকিয়া কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ভূপালৰ এখন সংবাদ মেলত আঁচনিখনৰ নাম সলনিক লৈ বিৰোধীয়ে উত্থাপন কৰা অভিযোগ সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰীচৌহানে আজি কয় যে পূৰ্বে বিৰোধী দলসমূহ ক্ষমতাত থকাৰ সময়তে বিভিন্ন সময়ত নিয়োগ সম্বন্ধীয় আঁচনিসমূহৰ নাম সলনি কৰা হৈছিল। তেওঁ কয় যে জি ৰাম জী অভিযান অধিক ফলপ্ৰসূ কৰি তোলাৰ বাবে প্ৰধানমন্ত্ৰীৰ গতিশক্তি আঁচনিৰ সৈতে

সংযুক্ত কৰা হৈছে। এই অভিযানৰ অধীনত আইন অনুসৰি নিবনুৱা ভাট্টা আৰু প্ৰয়োজন সাপেক্ষে বিত্তীয় সাহায্য দিয়াৰো স্পষ্ট ব্যৱস্থা আছে বুলি মন্ত্ৰী চৌহানে প্ৰকাশ কৰে।

ooooo

ভাৰত আৰু শ্ৰীলংকাৰ মহিলা ক্ৰিকেট দলৰ মাজৰ টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল তিৰুৱনন্তপুৰমত কিছু সময়ৰ পূৰ্বে আৰম্ভ হৈছে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি বাতৰি যুগুতোৱাৰ পৰলৈকে ১ অভাৰত এটাও উইকেট নেহেৰুওৱাকৈ ৫ ৰাণ সংগ্ৰহ কৰি খেলি আছে। প্ৰথম চাৰিখন খেলত জয়লাভ কৰি ইতিমধ্যে অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰা ভাৰতে আজিৰ খেলখনতো বিজয় সাব্যস্ত কৰি শৃংখলাৰ আটাইকেইখন খেলত জয়লাভৰ কৃতিত্ব অৰ্জনৰ বাবে চেষ্টা চলাব।

ooooo

সমাপ্ত